**Regional News Unit**
AKASHVANI, Guwahati
0000000000

**Date :** 25-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ১৯৭৫ চনৰ জৰুৰী অৱস্থাৰ বিৰোধিতা কৰা সকলো মহান ব্যক্তিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শ্ৰদ্ধাৰ্ঘ্য নিবেদন।

২। কাইলৈ অষ্টাদশ লোকসভাৰ অধ্যক্ষ পদৰ বাবে নিৰ্বাচন। বিজেপিৰ ওম বিৰলা আৰু বিৰোধীৰ কে সুৰেশৰ অধ্যক্ষ পদৰ প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল।

৩। ৰাজ্যৰ ১০খন জিলাৰ ৬৩১ খন গাঁৱৰ এক লাখ ৭০ হাজাৰতকৈ অধিক লোক বানৰ কবলত। ১০২টা আশ্ৰয় শিবিৰৰ জৰিয়তে চৰকাৰৰ সাহায্য প্ৰদান।

**আৰু**

৪। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু আফগানিস্তানৰ ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন। গায়ানাত হ'বলগীয়া ছেমি ফাইনেলত পৰিহলৈ ভাৰত ইংলেণ্ডৰ সন্মুখীন।

০০০০০০০

১৯৭৫ চনৰ জৰুৰী অৱস্থাৰ বিৰোধিতা কৰা সকলো মহান ব্যক্তিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে এই দিনটোৱে আমাক কংগ্ৰেছে কিদৰে বুনিয়াদী স্বাধীনতা খণ্ডন কৰিছিল আৰু প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সন্মানৰ সংবিধান অমান্য কৰিছিল, সেই কথা সোঁৱৰাই দিয়ে। তেওঁ কয় যে সেই সময়ৰ কংগ্ৰেছ চৰকাৰে সকলো গণতান্ত্ৰিক নীতি বিসৰ্জন দি সমগ্ৰ ৰাষ্ট্ৰক এখন কাৰাগাৰত পৰিণত কৰিছিল। তেওঁ কয় যে জৰুৰীকালীন অৱস্থা বলৱৎ কৰাসকলৰ সংবিধান সন্দৰ্ভত ভাষণ দিয়াৰ কোনো অধিকাৰ নাই। এইসকল লোকেই কেইবাবাৰো ৩৫৬ নম্বৰ অনুচ্ছেদ বলৱৎ কৰাৰ লগতে সংবাদ মাধ্যমৰ স্বাধীনতা খৰ্ব কৰাৰ বাবে এখন বিধেয়ক প্ৰস্তুত কৰিছিল, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ধ্বংস কৰিছিল আৰু সংবিধানৰ প্ৰতিটো দিশ উলংঘা কৰিছিল বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰী মোদীয়ে এইবুলি অভিযোগ কৰে যে যি মানসিকতাৰ বাবে কংগ্ৰেছ দলে জৰুৰীকালীন অৱস্থা বলৱৎ কৰিছিল, সেই মানসিকতা দলটোৰ মাজত এতিয়াও বিদ্যমান।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যম যোগে দিয়া বাৰ্তাত কয় যে আজিৰ দিনটোত আমাৰ গণতন্ত্ৰই স্বাধীনতাৰ পিছত আটাইতকৈ ক'লা অধ্যায়ৰ সাক্ষী হৈছিল।এই জৰুৰীকালীন ক'লা অধ্যায়ৰ বিৰুদ্ধে যুঁজ দিয়া মহান ব্যক্তিসকলৰ স্মৃতিত মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০০০

বিজেপিয়ে দলটোৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ প্ৰাক্তন অধ্যক্ষ ওম বিৰলাক অষ্টাদশ লোকসভাৰ অধ্যক্ষ পদৰ বাবে প্ৰক্ষেপ কৰিছে। আনহাতে, বিৰোধী আই এন ডি আই মিত্ৰজোঁটে কংগ্ৰেছ দলৰ কে সুৰেশক অধ্যক্ষ পদৰ

প্ৰাৰ্থী হিচাপে বাচনি কৰিছে। দুয়োগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। লোকসভাৰ অধ্যক্ষৰ নিৰ্বাচন কাইলৈ অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে চৰকাৰ আৰু বিৰোধী পক্ষই অধ্যক্ষ পদৰ প্ৰাৰ্থীক লৈ সহমতত উপনীত হোৱাত ব্যৰ্থ হয়। সংসদ ভৱনৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অমিত শ্বাহ আৰু পীয়ুষ গোৱেলে কংগ্ৰেছ দলৰ নেতা কে চি বেণুগোপাল আৰু ডি এম কেৰ টি আৰ বালুৰ সৈতে বিষয়টো সন্দৰ্ভত বৈঠকত মিলিত হয় যদিও বিৰোধী পক্ষই শ্ৰী বিৰলাৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ পূৰ্বে উপাধ্যক্ষৰ নাম ঘোষণা কৰাৰ দাবীক লৈ অটল হৈ থাকে। শ্ৰী গোৱেলে কয় যে বিৰোধী পক্ষক উপাধ্যক্ষ নিৰ্বাচনৰ সময়ত বিষয়টো লৈ আলোচনা কৰা হ'ব বুলি অৱগত কৰোৱা হয়। তেওঁ কয় যে বিৰোধী পক্ষই অধ্যক্ষৰ নিৰ্বাচনক লৈ আগবঢ়োৱা চৰ্তসমূহ চৰকাৰে প্ৰত্যাখ্যান কৰে। ইফালে, কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে কয় যে বিৰোধী পক্ষ অধ্যক্ষ পদৰ প্ৰাৰ্থীলৈ সমৰ্থন আগবঢ়াবলৈ সাজু কিন্তু এনে হ'লে উপাধ্যক্ষ পদৰ প্ৰাৰ্থীগৰাকী বিৰোধী পক্ষৰ হ'ব লাগিব। সংসদ ভৱন চৌহদত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে ৰাজনাথ সিঙে মল্লিকাৰ্জুন খাৰ্গেক সাক্ষাৎ কৰিছে আৰু অধ্যক্ষ পদৰ বাবে সমৰ্থন আগবঢ়াবলৈ আহ্বান জনাইছে।

ইপিনে অষ্টাদশ লোকসভাৰ অধিবেশনৰ আজি দ্বিতীয় দিনাও কেইবাগৰাকীও নৱনিৰ্বাচিত সদস্যই শপত গ্ৰহণ কৰে। ইয়াৰ ভিতৰত এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া ছুলে আৰু আমোল খোলে, শিৱসেনা সিন্দে গোটৰ ড০ শ্ৰীকান্ত সিন্দে, পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰছেৰ সাংসদ চৰণজিত সিং চান্নি, শিৰোমণি আকালি দলৰ হৰচিমৰত কৌৰ বাদাল ইত্যাদি অন্যতম। উল্লেখযোগ্য যে কালি ২৬৬ গৰাকী সাংসদে শপত গ্ৰহণ কৰিছিল আৰু বাকী সকলে আজি শপত গ্ৰহণ কৰে। কাইলৈ সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাষণ দিব। এতিয়া আমি লোকসভাৰ অধিবেশনৰ কাৰ্যসূচী সন্দৰ্ভত সম্প্ৰতি নতুন দিল্লীত থকা আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে কথা পাতিবলৈ লৈছো।

১) অষ্টাদশ লোকসভাৰ অধিৱেশনৰ দ্বিতীয় দিনাও আজি কেইবাগৰাকীও সদস্যই শপত গ্ৰহণ কৰা পৰিলক্ষিত হয়। আনহাতে অধ্যক্ষ নিৰ্বাচনক লৈয়ো শাসক বিৰোধীৰ মাজত কিছু মতভেদ দেখা যায়। আজি সদনত উপস্থিত থাকি আপোনাৰ কোনো বিশেষ বিষয় দৃষ্টিগোচৰ হৈছে নেকি।

**-ভইচ-**

লোকসভাৰ অধিবেশনৰ আজিৰ কাৰ্যসূচী সন্দৰ্ভত আপুনি আমাৰ শ্ৰোতা সকলক বিতং কৈ জনালে। পৰৱৰ্তী সময়ত অধিৱেশনৰ অন্যান্য বিষয় সন্দৰ্ভত জানিবলৈ আপোনাৰ সৈতে সংযুক্ত হম। ধন্যবাদ।

০০০০০০০

অষ্টাদশ লোকসভাত যুৱ প্ৰজন্মৰ প্ৰতিনিধিৰ সমান্তৰাল ভাৱে কেইবাগৰাকীও জেষ্ঠ্য ৰাজনৈতিক নেতা অন্তৰ্ভূক্ত হোৱাৰ ফলত এইবাৰ নিম্নসদন জ্ঞান আৰু অভিজ্ঞতাৰ সমন্বয় ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপৰি বিপ্লৱ কুমাৰ দেৱ, বাসৱ ৰাজ বুম্মাই, শিৱৰাজ সিং চৌহান, মনোহৰ লাল, এইচ ডি কুমাৰাস্বামীকে ধৰি কেইবাগৰাকীও প্ৰাক্তন মুখ্যমন্ত্ৰী এইবাৰ লোকসভালৈ নিৰ্বাচিত হৈছে। তদুপৰি প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈৰ লগতে আন কেইবাগৰাকীও প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পুত্ৰ তথা যুৱ নেতা যেনে সুপ্ৰিয়া ছুলে, দিপিন্দৰ সিং হুদা আৰু অনুৰাগ সিং ঠাকুৰে নিম্ম সদনৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত নতুন দৃষ্টিভঙ্গীৰ উন্মেষ ঘটাব বুলি আশা কৰা হৈছে। একেদৰে ক্ৰীড়া আৰু চলিচ্চত্ৰ জগতক প্ৰতিনিধিত্ব কৰা কীৰ্তী আজাদ, ইউছুফ পাঠান, কংগনা ৰাণাৱট, হেমা মালিনী, সুৰেশ গোপী আৰু ৰাস্না বেনাৰ্জীকে ধৰি কেইবাগৰাকী সাংসদে সদনক বিভিন্ন ক্ষেত্ৰৰ পৰা লাভ কৰা অভিজ্ঞতা আৰু জ্ঞানেৰে সমৃদ্ধ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ সভাপতিত্বত আজি নতুন দিল্লীত সমাগত সাধাৰণ বাজেটৰ বাবে প্ৰাক্-বাজেট আলোচনা হয়। এই আলোচনাত কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধাৰী, মুখ্য অৰ্থনৈতিক পৰামৰ্শদাতা ভি অনন্থ নাগেশ্বৰন, বিত্ত বিভাগৰ সচিব টি ভি সোমানাথন আৰু অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ সচিবৰ লগতে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ সচিবো উপস্থিত থাকে। যোৱা সপ্তাহত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে আটাইকেইখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ বিত্তমন্ত্ৰীসকলৰ সৈতে বৈঠকত মিলিত হৈছিল। কৃষক সংঘৰ প্ৰতিনিধি আৰু কৃষি অৰ্থনীতিবিদসকলৰ সৈতেও বিত্তমন্ত্ৰী আলোচনাত মিলিত হৈছিল। ইয়াৰ পূৰ্বে মন্ত্ৰী নিৰ্মলা সীতাৰমনে উদ্যোগ খণ্ডৰ আগশাৰীৰ বিশেষজ্ঞ আৰু অৰ্থনীতিবিদসকলৰ সৈতেও আলোচনাত বহিছিল।

০০০০০০০

অহা ১ জুলাইৰ পৰা দেশত বলৱৎ হ'বলগীয়া নতুন ফৌজদাৰী আইন সন্দৰ্ভত আজি প্ৰেছ্ ইনফৰমেচন ব্যুৰ'ৰ উদ্যোগত উলুবাৰীত থকা অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমাধ্যমৰ কৰ্মশালা অনুষ্ঠিত হয়। এই অনুষ্ঠানত পি আই বি উত্তৰ-পূৰ্বাঞ্চল মণ্ডলৰ সঞ্চালক প্ৰধান কে সতীশ নাম্বুদিৰিপাড, অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি অতিৰিক্ত সঞ্চালক প্ৰধান শ্ৰীগুপ্তাই কয় যে, নতুন তিনিখন আইন ক্ৰমে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ জৰিয়তে নাগৰিকক ন্যায় দিয়াৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। নতুন আইনত মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ বাবে বিশেষ অধ্যায় সন্নিবিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত দুমাহৰ ভিতৰত তদন্ত কৰি অভিযোগনামা দাখিল কৰাৰ ব্যৱস্থা ৰখাৰ লগতে শূন্য সহনশীল নীতিৰে গণধৰ্ষণৰ দৰে ঘটনাত জড়িত অভিযুক্তক মৃত্যু দণ্ডৰ বিধান ৰখা হৈছে। নতুন আইনত ইলেকট্ৰনিক মাধ্যমেৰে এজাহাৰ দাখিলৰ ব্যৱস্থা, যিকোনো থানাতেই ভুক্তভোগীয়ে এজাহাৰ দাখিল কৰিব পৰা ব্যৱস্থা, ফৰেনচিক বিজ্ঞান আৰু প্ৰযুক্তিৰ জড়িয়তে তদন্ত কৰা, অডিঅ'-ভিডিঅ' মাধ্যমেৰে স্বীকাৰোক্তি গ্ৰহণ কৰা আদি কেতবোৰ নতুন ব্যৱস্থা সন্নিবিষ্ট কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ বান পৰিস্থিতি পূৰ্বতকৈ উন্নত হৈছে যদিও ১০খন জিলাৰ ৬৩১ খন গাঁৱৰ এক লাখ ৭০ হাজাৰতকৈ অধিক লোক বানৰ কবলত আছে। ১৩ হাজাৰতকৈও অধিক ক্ষতিগ্ৰস্ত লোকক সহায় কৰিবৰ বাবে ১০২টা আশ্ৰয় শিবিৰ আৰু ৩৮টা সাহায্য বিতৰণ কেন্দ্ৰ সক্ৰিয় ৰখা হৈছে। বানত ২১ হাজাৰৰো অধিক পশুধনৰ ক্ষতি হৈছে।

০০০০০০০

তিনিচুকীয়া জিলাৰ আদালত চৌহদটো উৰণ নিষিদ্ধ অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। জিলাখনৰ আয়ুক্ত স্বপ্নীল পালে এখন জাননীযোগে এই ঘোষণা জাৰি কৰিছে। এই ক্ষেত্ৰত কোনো ব্যক্তিৰ আপত্তি থাকিলে লিখিতভাৱে কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০০০

দক্ষিণ বৰপেটা বিদ্যা মন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পাঁচদিনীয়াকৈ বিজ্ঞান আৰু গণিত বিষয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে খণ্ডভিত্তিত প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। বৰপেটা শিক্ষাখণ্ডৰ ৩৬টা মণ্ডল সমল কেন্দ্ৰৰ গণিত আৰু বিজ্ঞানৰ শিক্ষকসকলে অংশগ্ৰহণ কৰা এই কৰ্মশালা জিলাখনৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত তথা সমগ্ৰ শিক্ষা বৰপেটা জিলা মিছন সমন্বয়ক জয়ন্ত বৰাই আজি পুৰা মুকলি কৰে। বিজ্ঞান আৰু গণিত শিক্ষণ আনন্দদায়ক আৰু ক্ৰীড়া কলাপ ভিত্তিক কৰি তোলাৰ উদ্দেশ্যে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত বৰপেটা শিক্ষাখণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা, সমগ্ৰ শিক্ষাৰ শিক্ষক প্ৰশিক্ষণ গোটৰ জিলা আঁচনি বিষয়া আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ আৰু অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ উদ্যোগত তামুলপুৰত আয়োজিত শিশু অধিকাৰ সম্পৰ্কীয় শিবিৰৰ আজি সামৰণি পৰে। আয়োগৰ সদস্য সকলে নাবালকক ন্যায়, শিশুৰ শিক্ষা, যৌন নিৰ্যাতন ৰোধ কৰা, শিশু শ্ৰম বন্ধ কৰা, বাল্য বিবাহ বন্ধ কৰা তথা শিশুৰ সৈতে জড়িত অন্য বিষয় সমূহ আলোচনা কৰে। তদুপৰি এই শিবিৰত আধাৰ কাৰ্ড, আয়ুস্মান ভাৰত কাৰ্ড, বেংক একাউণ্ট আদি নথকা শিশু সকলক এই সুবিধাসমূহ প্ৰদানৰ ব্যৱস্থা কৰা হয়। আজি শিবিৰত ৮১০ গৰাকী নাম পঞ্জীভূক্ত শিশুৰ ভিতৰত ৩৫০ গৰাকীৰ ওজৰ-আপত্তি থিতাতে নিস্পত্তি কৰা হয়।

০০০০০০০

বন বিভাগে মানস ব্যাঘ্ৰ প্ৰকল্প ক্ষেত্ৰ সঞ্চালকৰ সহযোগত অভিযান চলাই দুটাকৈ চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ হোৱা চোৰাং চিকাৰী কালিচৰণ বসুমতাৰী আৰু মাইছ্ৰাং গয়াৰীৰ ঘৰত অভিযান চলাই বিভাগে চিকাৰত ব্যৱহাৰ দুটা হস্তনিৰ্মিত বন্দুক, বন্দুকৰ কুণ্ডা, মৃত হৰিণাৰ শিং, কেটেলা পহুৰ কাঁইট, গুলী তৈয়াৰ কৰা যন্ত্ৰ, কিছু পৰিমাণৰ বিস্ফোৰক, ধনু কাঁড় আদি উদ্ধাৰ কৰে।

০০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰা দলসমূহ নিশ্চিত হৈছে। ভাৰত, ইংলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু আফগানিস্তানে ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। আফগানিস্তানে আজি কিংষ্টনত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন ৰোমাঞ্চকৰ খেলত বাংলাদেশক ডাক ৱৰ্থ লুইছ পদ্ধতিৰ সহায়ত ৮ ৰানত পৰাস্ত কৰি চতুৰ্থটো দল হিচাপে ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৫ টা উইকেটৰ বিনিময়ত ১১৫ ৰান সংগ্ৰহ কৰে। খেলখনত বৰষুণে বিধি-পথালি দিয়াত বাংলাদেশৰ বাবে ১৯ অ'ভাৰত ১১৪ ৰানৰ সংশোধিত লক্ষ্য নিৰ্ধাৰণ কৰা হয়। প্ৰত্যুত্তৰত বাংলাদেশে ১৭ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। খেলখনত চাৰিটাকৈ উইকেট দখল কৰা আফগানিস্তানৰ নবীন-উল-হকক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰত বৃহস্পতিবাৰে গায়ানাত হ'বলগীয়া ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০০

২০২৪-২৫ বৰ্ষৰ শোণিতপুৰ জিলা আন্তঃজিলা ফুটবল প্ৰতিযোগিতা অহা ১ জুলাইৰ পৰা ৩ জুলাইলৈ তেজপুৰৰ মিছন চাৰিআলিৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত কৰা হ'ব। ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ বাবে অনুষ্ঠিত এই প্ৰতিযোগিতাত পাৰদৰ্শিতাৰ ভিত্তিত খেলুৱৈসকলক পিলিক চৌধুৰী সোঁৱৰণী, দেওকন সোঁৱৰণী আৰু নৃপেন্দ্ৰ নাৰায়ণ সিংহ সোঁৱৰণী ফুটবল প্ৰতিযোগিতালৈ বাছনি কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

সমাপ্ত